# মন কি বাত

খণ্ড - 12



# MANN KI BAAT
## VOL.12

**Authors**
Sarda Mohan and Tanushree Banerji

**Illustrations and Cover Art**
Dilip Kadam

**Assistant Artist**
Ravindra Mokate

**Production**
Amar Chitra Katha

**Colourists**
Prakash Sivan, M.P. Rageeven and Prajeesh V. P.

**Layout Artist**
Akshay Khadilkar

**Published by**
Amar Chitra Katha Pvt. Ltd

**ASSAMESE**

ISBN – 978-93-6127-916-4

Amar Chitra Katha Pvt. Ltd, March 2024

© Ministry of Culture, Govt of India, March 2024
All rights reserved. This book is sold subject to the condition that the publication may not be reproduced, stored in a retrieval system (including but not limited to computers, disks, external drives, electronic or digital devices, e-readers, websites), or transmitted in any form or by any means (including but not limited to cyclostyling, photocopying, docutech or other reprographic reproductions, mechanical, recording, electronic, digital versions) without the prior written permission of the publisher, nor be otherwise circulated in any form of binding or cover other than that in which it is published and without a similar condition being imposed on the subsequent purchaser.

You can now get ACK stories as part of your classroom with **ACK Learn**, a unique learning platform that brings these stories to your school with a range of workshops. Find out more at **www.acklearn.com** or write to us at **acklearn@ack-media.com**.



মৰমৰ শিশুসকল,

প্রতিকূলতা হৈছে জীৱনৰ এক অনিবাৰ্য অংশ। অৱশ্যে, আমি এটা কথা মনত ৰখাটো গুৰুত্বপূৰ্ণ যে প্ৰতিকূলতাই জীৱনৰ গতিপথ নিৰ্ধাৰণ নকৰে, প্ৰতিকূলতাৰ প্ৰতি আমাৰ প্ৰতিক্ৰিয়াইহে জীৱনৰ গতিপথ নিৰ্ধাৰণ কৰে। কঠিন পৰিস্থিতিয়ে আমাক ভয় দূৰ কৰাৰ লগতে সৰ্বোচ্চ প্ৰাপ্তিৰ সুযোগ প্ৰদান কৰে।

কাশ্মীৰৰ জাভেদ আহমেদ টাকৰ মেৰুদণ্ডত উগ্ৰপন্থীৰ গুলী লাগিছিল। ভাগ্যক অভিশাপ দিয়াৰ পৰিৱৰ্তে তেওঁ বিশেষভাৱে সক্ষম শিশুসকলৰ শিক্ষাৰ বাবে কাম কৰি আহিছে।



লং জাম্প খেলুৱৈ মুৰুলী শ্ৰীশংকৰেও ৰোগৰ সৈতে যুঁজ দিছিল।

দৃঢ় মনোভাৱ যিকোনো বাধা অতিক্ৰম কৰাৰ ক্ষেত্ৰত সম্ভৱতঃ আটাইতকৈ ডাঙৰ শক্তি। এটা সাধাৰণ পৰিয়ালৰ, এজন নিৰাপত্তাৰক্ষীৰ পুত্ৰ আকাশ গোৰ্খা এজন বিশ্ববিখ্যাত বক্সাৰ হোৱাৰ দিশে আগুৱাই গৈ আছে।

মই আশাকৰো এই কাহিনীসমূহে মানসিক শক্তিৰ ওপৰত তোমালোকৰ বিশ্বাস দৃঢ় কৰি তুলিব আৰু তোমালোকক শিকাব যে বেছিভাগ ক্ষেত্ৰতেই প্ৰত্যাহ্বান আৰু সুযোগৰ মাজত থকা একমাত্ৰ পাৰ্থক্য হৈছে কেৱল দৃষ্টিভংগী।



# সূচীপত্ৰ


| | | |
|---|---|---|
| 1 | আকাশ ৰমেশ গোৰ্খা | 3 |
| 2 | অতুল পাটিদাৰ | 5 |
| 3 | ড. সপন কুমাৰ পত্ৰলেখ | 8 |
| 4 | জাভেদ আহমেদ টাক | 11 |
| 5 | এম. যোগনাথন | 14 |
| 6 | মুৰুলী শ্ৰীশংকৰ | 17 |
| 7 | পুণ্যম পুনকাৱনম | 20 |
| 8 | ৰাম কুমাৰ যোশী | 23 |
| 9 | চাইখম সুৰচন্দ্ৰ সিং | 26 |
| 10 | সন্তোষ সিং নেগী | 28 |
| 11 | য়ুথ ফৰ পৰিৱৰ্তন | 30 |

# আকাশ ৰমেশ গোৰ্খা


বিদ্যালয়ত খেল-ধেমালিৰ শ্ৰেণী আছিল।
পূজা, তুমি ইমান বেগেৰে দৌৰিছা!
মই ডাঙৰ হৈ এগৰাকী দৌৰবিদ হিচাপে ভাৰতক প্ৰতিনিধিত্ব কৰিব বিচাৰো।
বৰ ভাল লক্ষ্য, পূজা! মই তোমালোকক আকাশ গোৰ্খাৰ বিষয়ে কও শুনা যি ভাৰতলৈ গৌৰৱ কঢ়িয়াই আনিছে।
আকাশৰ দেউতাক ৰমেশ গোৰ্খাই পুনাত নিৰাপত্তা ৰক্ষী হিচাপে কাম কৰিছিল। তেওঁ 21 বছৰ আগতে নেপালৰ পৰা ভাৰতলৈ প্ৰব্ৰজন কৰি কোনোমতে জীৱন নিৰ্বাহ কৰি আছিল।
মই বিচাৰো যে আমাৰ দুই পুত্ৰই জীৱনত উন্নতি কৰক।
হয়, সিঁহত দুটা প্ৰতিভাশালী। নিশ্চয় উন্নতি কৰিব।
চাৰিজনীয়া পৰিয়ালটোৱে এখন সৰু পাৰ্কিং শ্বেডত বাস কৰিছিল। আকাশে ওচৰৰ পাৰ্কত খেলা-ধুলা কৰি শৈশৱ অতিবাহিত কৰিছিল। এদিন –
এই বক্সিং প্ৰতিযোগিতা বৰ আকৰ্ষণীয়। ময়ো যোগদান কৰিব বিচাৰো!
আকাশে প্ৰতিযোগিতাৰ আয়োজকসকলৰ সৈতে কথা পাতিলে আৰু লগে লগে তেওঁৰ খেলুৱৈ জীৱন আৰম্ভ হ'ল।


সেই সময়তে উমেশ জাগডালে নামৰ এজন বক্সিং প্ৰশিক্ষকে আকাশক তেওঁৰ বন্ধুবৰ্গৰ সৈতে অনুশীলন কৰি থকা দেখা পালে।
এই ল'ৰাটোৰ খেল ভাল । তাৰ স্বভাৱজাত প্ৰতিভা আছে।
জাগডালেই আকাশৰ মাক-দেউতাকৰ সৈতে কথা পাতিলে আৰু তেওঁলোকেও সন্মতি দিলে। তেওঁ 2010 চনত মহাৰাষ্ট্ৰ ইনষ্টিটিউট অফ গেমছ এণ্ড স্পৰ্টছত আকাশক প্ৰশিক্ষণ দিবলৈ ধৰিলে।
যিকোনো খেলৰ বাবে একাগ্ৰতা আৰু অনুশাসনৰ প্ৰয়োজন। তুমি ভাল খেলুৱৈ হ'বলৈ কঠোৰ পৰিশ্ৰম কৰিব লাগিব।
হয় ছাৰ! মই পাৰ্যমানে চেষ্টা কৰিম।
প্ৰশিক্ষকৰ নিৰ্দেশনাত আৰু পিতৃ-মাতৃৰ সমৰ্থনত, আকাশে কঠোৰ পৰিশ্ৰম কৰিবলৈ ধৰিলে। সোনকালেই, তেওঁ পেছাদাৰী প্ৰতিযোগিতাত ভাগ ল'ব পৰা হ'ল।
তেওঁ 2017 চনৰ জুনিয়ৰ নেচনেলছত ৰূপৰ পদক আৰু 2018 চনৰ খেলো ইণ্ডিয়া প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক লাভ কৰিলে। তাৰপিছত -
জানানে দেউতা? মই আৰ্মি ট্ৰেইনিং ইনষ্টিটিউটত ভৰ্তি হৈছো।
বৰ ভাল খবৰ! এতিয়া তুমি উন্নত সা-সুবিধা আৰু প্ৰশিক্ষক লাভ কৰিবা।
বাছা, এতিয়া একোৱেই তোমাক বাধা দি ৰাখিব নোৱাৰে।
তেতিয়াৰ পৰা, আকাশে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত বহু খিতাপ লাভ কৰি ভাৰতলৈ গৌৰৱ কঢ়িয়াই আনিছে, আৰু অধিক সফলতাৰ বাবে প্ৰশিক্ষণ লৈ আছে।
প্ৰধানমন্ত্ৰী মোদীয়েও তেওঁৰ ৰেডিঅ' অনুষ্ঠান মন কি বাতত আকাশৰ দৃঢ়তা আৰু সফলতাৰ প্ৰশংসা কৰিছে।

# অতুল পাটিদাৰ


ব্যৱসায়ৰ বাবে সদায় লাভেই মূল, মানুহক সহায় কৰাটোৱে কেতিয়াও গুৰুত্ব লাভ নকৰে।
সেয়া সঁচা নহয়, চৰণ। প্ৰকৃত উদ্যোগীয়ে মানুহৰ সমস্যা সমাধান কৰে। মই অতুল পাটিদাৰৰ বিষয়ে কও শুনা। এখন কৃষি-প্ৰধান গাঁৱৰ অতুলে গাঁৱৰ মানুহক সহায় কৰিবলৈ কৃষি-সামগ্ৰী আৰু সঁজুলিৰ এখন দোকান স্থাপন কৰিছিল।
অতুল পাটিদাৰ মধ্যপ্ৰদেশৰ বাৰৱানীত ডাঙৰ-দীঘল হৈছিল।
আপুনি অতুলক ইংৰাজী বিদ্যালয়লৈ কিয় পঠিয়াইছে? খেতি কৰিবলৈ ইংৰাজী শিকাৰ প্ৰয়োজন নাই।
কিন্তু অতুলৰ মাক-দেউতাকে তেওঁ অধিক উন্নতি কৰাটো বিচাৰিছিল।
এদিনাখন –
মই কৃষি এৰি চহৰত চাকৰি বিচাৰিবলৈ সিদ্ধান্ত লৈছো। কৰ্মী আৰু সুলভ সঁজুলি পোৱাটো এক প্ৰত্যাহ্বান হৈ পৰিছে।
মই ডাঙৰ হৈ কৃষকৰ জীৱন সহজ কৰি তুলিম।
অতুলৰ মাক দেউতাক গৌৰৱান্বিত হৈছিল। কানাডাৰ এখন বিশ্ববিদ্যালয়ৰ বাবে সাক্ষাৎকাৰৰ সময়ত –
আপুনি প্ৰযুক্তি অধ্যয়ন কৰাৰ সিদ্ধান্ত কিয় লৈছে?
মই মোৰ জ্ঞানক দেশৰ কৃষকসকলক সহায় কৰিবলৈ ব্যৱহাৰ কৰিব বিচাৰো। প্ৰযুক্তিয়ে তেওঁলোকৰ জীৱন সহজ কৰি তুলিব।
অতুল চাৰিটা স্নাতকোত্তৰ ডিগ্ৰী সম্পূৰ্ণ কৰিছিল। 2017 চনত, কানাডাত কাম কৰাৰ সময়ত, অতুলে ভাৰতীয় কৃষকসকলক সহায় কৰিবলৈ এক ষ্টাৰ্ট-আপৰ প্ৰস্তাৱ কৰিছিল।
এই পদক্ষেপ সফল হ'ব বুলি আপুনি নিশ্চিতনে?
মই মোৰ দলৰ সৈতে গাওঁলৈ গৈ পৰীক্ষা কৰিম। আমি সোনকালেই গম পাম।


অতুল আৰু তেওঁৰ দলটোৱে প্ৰত্যাহ্বানসমূহ চিনাক্ত কৰিবলৈ বাৰৱানীত 6,000 জন কৃষকৰ সৈতে সময় অতিবাহিত কৰিছিল। ইয়াৰ পিছত –
আমি ফাৰ্মকাৰ্ট আৰম্ভ কৰি সুখী। ই হৈছে এক অনলাইন ফাৰ্ম চুপাৰষ্ট'ৰ য'ত আপুনি বীজ, সাৰ, কীটনাশক অৰ্ডাৰ কৰিব পাৰে আৰু আনকি কৃষি-সম্বন্ধীয় পৰামৰ্শও প্ৰাপ্ত কৰিব পাৰে।
অতুলে গাঁৱত মিশ্ৰিত সঁহাৰি লাভ কৰিছিল।
আমি প্ৰযুক্তিৰ বিষয়ে একো নাজানো। আমাৰ বহুতো লোক সাক্ষৰেই নহয়।
আমাৰ দলে ফাৰ্মকাৰ্টত পঞ্জীয়ন কৰাত আপোনাক সহায় কৰিব। প্ৰয়োজনীয় কিবা দেখিলে তাৰ কাষৰ বাকচটো টেপ কৰক। একেবাৰে সৰল।
পঞ্জীয়নৰ সময়ত –
আপুনি যে আমাৰ তথ্যৰ অপব্যৱহাৰ নকৰিব আমি কেনেকৈ জানিম?
আপোনাক এক অনন্য পৰিচয় কোড দিয়া হ'ব আৰু সেইটো কেৱল আপুনিহে ব্যৱহাৰ কৰিব পাৰে। আপোনাৰ সকলো তথ্য তাত সংৰক্ষণ কৰা হ'ব।
অতুল ভাই, আমি কিমান সোনকালে সামগ্ৰী পাম? আমি সেইবোৰ সংগ্ৰহ কৰিবলৈ ক'লৈ যাব লাগিব?
আপুনি অতি সহজে অনলাইন ক্ৰয় আৰু পৰিশোধ কৰিব পাৰে, কেৱল বুটাম এটা ক্লিক কৰি। অৰ্ডাৰ দিয়াৰ 36 ঘণ্টাৰ ভিতৰত সামগ্ৰীবোৰ আপোনাৰ ঘৰত ডেলিভাৰ কৰা হ'ব।
মোৰ প্ৰয়োজনীয় বস্তু বিচাৰি বজাৰত গোটেই দিনটো কটাব নালাগে। বা মই নগদ ধনো কঢ়িয়াব নালাগে।
হয়, আপুনি বজাৰৰ হাৰতকৈ কম মূল্যত সহজে আৰু সুৰক্ষিতভাৱে বজাৰ কৰিব পাৰে।
উচ্চ চাহিদা পূৰণ কৰিবলৈ বাৰৱানীত প্ৰথম ফাৰ্মকাৰ্ট ডিজিটেল ষ্ট'ৰ খোলা হৈছিল, ই ওচৰৰ এলেকাৰো চাহিদা পূৰণ কৰিছিল।


ফাৰ্মকাৰ্টে এটা ডেলিভাৰী মডেলো প্ৰৱৰ্তন কৰিছিল যি পৰিবহন ব্যয় বচাবলৈ আৰু স্থানীয় নিয়োগ সৃষ্টি কৰাত সহায় কৰিছে।
এইটো সঁচা নেকি যে আমাৰ কোনোবাই ফাৰ্মকাৰ্টৰ সামগ্ৰী ডেলিভাৰ কৰিব পাৰে?
হয়, ফাৰ্মকাৰ্টত পঞ্জীয়ন কৰক আৰু সংগ্ৰহ আৰু ডেলিভাৰ কৰিবলৈ আইডি দেখুৱাওক।
ফাৰ্মকাৰ্টে কৃষকসকলক শস্যৰ মানদণ্ড উন্নত আৰু লাভ বৃদ্ধি কৰাত সহায় কৰিবলৈ কৃষিনিদান নামৰ এক পৰামৰ্শ সেৱাও আগবঢ়ায়।
ফাৰ্মকাৰ্টৰ যোগেদি হাজাৰ হাজাৰ কৃষক লাভান্বিত হৈছে, আৰু 2018 চনত ইয়াক বিশ্বৰ অভিনৱ ষ্টাৰ্টআপৰ শীৰ্ষৰ 50 টাৰ ভিতৰত এটা হিচাপে বাছনি কৰা হৈছিল।
ফাৰ্মকাৰ্টে বজাৰ, ডেলিভাৰী, আৰু পৰামৰ্শৰ সুবিধা প্ৰদান কৰে! আমি কৃষকসকলক ইন্টাৰনেটৰ ব্যৱহাৰ শিকোৱাৰ লগতে ব্যৱসায়ীৰ দৰে চিন্তা কৰিবলৈ উৎসাহিত কৰো।
GLOBAL INNOVATIVE START IN 2018
কোভিড-19-ৰ সময়ত, ফাৰ্মকাৰ্ট শ্বপিং প্লেটফৰ্মত 1,000 টা সামগ্ৰী তালিকাভুক্ত কৰা হৈছিল। লকডাউনৰ সময়ত –
আমি দূৰৱৰ্তী অঞ্চলৰ কৃষকসকলক সামৰি ল'বলৈ সেৱা সম্প্ৰসাৰিত কৰিব লাগিব। নহ'লে লকডাউনে তেওঁলোকৰ খেতিত ব্যাঘাত জন্মাব।
2020 চনৰ অক্টোবৰ মাহত, ই প্ৰধানমন্ত্ৰী মোদীৰ ৰেডিঅ' অনুষ্ঠান মন কি বাতত প্ৰশংসা অৰ্জন কৰে।
2021 চনত –
ভাইয়া, ফাৰ্মকাৰ্টৰ বাবে ধন্যবাদ, আমি সামগ্ৰীবোৰ সময়মতে পাই আছো কিন্তু খেতিৰ সঁজুলি পোৱাটো কঠিন। দাম বৰ বেছি আৰু আমাৰ ইমান টকা নাই।
আমাৰ ৰেণ্ট4ফাৰ্ম সেৱা ব্যৱহাৰ নকৰে কিয়? আপুনি খেতিৰ সঁজুলি ভাড়াত ল'ব পাৰে। আৰু অতিৰিক্ত সঁজুলি থকা সকলে আমাৰ প্লেটফৰ্মত সেয়া ভাড়ালৈ দি উপাৰ্জন কৰিব পাৰে।
ফাৰ্মকাৰ্টৰ এটা 102 জনীয়া দল আছে। আমি ভাৰতৰ কৃষকসকলৰ নিৰন্তৰ বিকাশত সহায় কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ।
ফাৰ্মকাৰ্টে সমগ্ৰ মধ্য প্ৰদেশৰ প্ৰায় 2,000 স্থানত উপস্থিত আৰু ই 1,00,000 ৰো অধিক কৃষকক সেৱা আগবঢ়ায়।

# ডঃ সপন কুমাৰ পত্ৰলেখ



ড. সপন কুমাৰ পত্ৰলেখ






*গ্ৰাম্য শিশু যত্ন কেন্দ্ৰ

# জাভেদ আহমেদ টাক




*বেচেলৰ অৱ চাইন্স

^কাশ্মীৰৰ চহৰ


উগ্ৰপন্থীবিলাক যোৱাৰ পিছত, জাভেদক তৎক্ষণাত চিকিৎসালয়লৈ লৈ যোৱা হ'ল।
বন্দুকৰ গুলীয়ে তেওঁৰ মেৰুদণ্ড, অগ্ন্যাশয়, বৃক্ক আৰু অন্ত্ৰত আঘাত কৰিছে। তেওঁৰ অৱস্থা সংকটজনক।
জাভেদে প্ৰায় এবছৰ চিকিৎসালয়ত কটালে যদিও খোজ কাঢ়িবলৈ সক্ষম নহ'ল।
গতিকে, মই এতিয়াৰ পৰা এনেদৰেই আগবাঢ়ি যাম।
পৰৱৰ্তী দুবছৰ বাবে জাভেদ হতাশাগ্ৰস্ত হৈ ঘৰৰ ভিতৰতে সোমাই আছিল। এদিন -
আম্মী, মই বহুতো শিশুৰে খেলি থকাৰ শব্দ শুনিছো। তেওঁলোক বিদ্যালয়লৈ নাযায় নেকি?
তেওঁলোক অতি দৰিদ্ৰ পৰিয়ালৰ। অভিভাৱকে তেওঁলোকক বিদ্যালয়লৈ পঠিয়াব নোৱাৰে। তেওঁলোকে এনেদৰেই সময় পাৰ কৰি দিয়ে।
জাভেদে যেন তেওঁৰ জীৱনৰ উদ্দেশ্য বিচাৰি পাইছিল। কেইদিনমানৰ পিছত -
আজিৰ পৰা, আমি গণিত, বিজ্ঞান আৰু বিশ্বৰ বিষয়ে শিকিম। এটা ধেমেলীয়া গীতেৰে আৰম্ভ কৰো আহা।
তেওঁ আনকি শিশুসকলৰ বাবে এটা বুক-বেংকো আৰম্ভ কৰিছিল।
এই কথা বিয়পি পৰাৰ লগে লগে অধিক ল'ৰা-ছোৱালী পঢ়িবলৈ তেওঁৰ ওচৰলৈ আহিবলৈ ধৰিলে।
চাৰ, দুটা নতুন ল'ৰা পঢ়িবলৈ আহিছে।
বিশেষভাৱে সক্ষম শিশুসমূহ কিয় পঢ়িবলৈ অহা নাই, তেওঁলোকক মই খেলা-ধূলা কৰাও দেখা নাই। বিচাৰ-খোচাৰ কৰি চাব লাগিব।
আন কেইজনমান লোকৰ সৈতে, জাভেদে প্ৰতিবন্ধী শিশু বিচাৰি ছয়খন গাওঁত জৰীপ কৰিছিল।


তেওঁ উপলব্ধি কৰিছিল যে প্ৰতিবন্ধী শিশুসকল বিচ্ছিন্ন বা সম্পূৰ্ণৰূপে অৱহেলিত আছিল।
আজিৰ পৰা, মই কেৱল এই শিশুসকলৰ ওপৰত মনোযোগ দিম।
পৰৱৰ্তী কেইমাহমানৰ ভিতৰত, তেওঁ বহুতো প্ৰতিবন্ধী শিশুৰ অভিভাৱকক সৈমান কৰি তেওঁলোকক পঢ়াবলৈ আৰম্ভ কৰিছিল।
কেৱল শিক্ষাই যথেষ্ট নহয়। স্বাভাৱিক জীৱন যাপনৰ বাবে বহুতো শিশুৰ ওচৰত শ্ৰৱণ-যন্ত্ৰ বা হুইলচেয়াৰৰ দৰে প্ৰয়োজনীয় সঁজুলি নাই। আমি তেওঁলোকৰ বাবে আৰু অধিক কৰাৰ লগতে তেওঁলোকক তেওঁলোকৰ অধিকাৰৰ বিষয়ে সজাগ কৰি তুলিব লাগিব।
বিশেষভাৱে সক্ষম লোকসকলৰ সমস্যা সমাধানৰ বাবে, জাভেদে 2003 চনত দ্য হিউমেনিটি ৱেলফেয়াৰ অৰ্গেনাইজেচন হেল্পলাইন নামৰ এটা এনজিঅ'* আৰম্ভ কৰে।
আমাৰ সংগঠনে বিশেষভাৱে সক্ষম লোকক বিত্তীয়, শৈক্ষিক আৰু চিকিৎসা সহায় আগবঢ়াব আৰু প্ৰয়োজনীয় সঁজুলি যোগান ধৰিব। আমি তেওঁলোকৰ অধিকাৰৰ বাবে যুঁজ দিম আৰু জনসাধাৰণক অধিক সজাগ কৰি তুলিবলৈ কাৰ্যসূচী হাতত লম।
সংগঠনটোৱে কাশ্মীৰ বিশ্ববিদ্যালয়ত ৰেম্প স্থাপন কৰাৰ লগতে আৰু শ্ৰীনগৰৰ ৰাজভৱনক প্ৰতিবন্ধী-অনুকূল কৰি তোলাত সফল হৈছে।
সংগঠনটোৱে 2008 চনত জাইবা-আপা ইনষ্টিটিউট অৱ ইনক্লুচিভ এডুকেশ্বন নামৰ এখন বিদ্যালয়ো স্থাপন কৰে। এটা দশকৰ পিছত, এতিয়া তাত 100 ৰো অধিক বিশেষভাৱে সক্ষম শিশুৱে অধ্যয়ন কৰে।
জাভেদৰ কামে সমগ্ৰ বিশ্বৰ পৰা প্ৰশংসা আৰু স্বীকৃতি লাভ কৰিছে। 2020 চনত সমাজলৈ আগবঢ়োৱা সেৱাৰ বাবে তেওঁক সন্মানীয় পদ্মশ্ৰী বঁটা প্ৰদান কৰা হয়।

*বেচৰকাৰী সংগঠন

# এম. যোগনাথন




*নীলগিৰি পৰ্বতমালাত অৱস্থিত তামিলনাডুৰ জিলা


তেতিয়া মাৰিমুথুৰ বয়স আছিল 13 বছৰ –
তুমি কি কৰিছা?
মই গছ পুলি ৰুইছো। মই আমাৰ পাহাৰবোৰ সদায় সেউজীয়া কৰি ৰাখিম।
সেইয়াই আছিল বৃক্ষৰোপণৰ দিশে তেওঁৰ জীৱনজোৰা যাত্ৰাৰ আৰম্ভণি।
মাৰিমুথুৱে ডাঙৰ হৈ কইম্বাটুৰৰ তামিলনাডু ৰাজ্যিক পৰিবহন নিগমৰ বাছ কণ্ডাক্টৰৰ চাকৰি পাইছিল।
এই গছপুলিটো এটা উপহাৰ। এইটো ৰুই যত্ন ল'ব।
বেছিভাগ যাত্ৰীয়েই তেওঁৰ পৰা গছপুলি উপহাৰ লাভ কৰিছিল।
দিন যোৱাৰ লগে লগে মাৰিমুথুৱে অনুভৱ কৰিলে যে কেৱল গছপুলি বিতৰণ আৰু ৰোপণ কৰাই যথেষ্ট নহয়।
মই যুৱ-প্ৰজন্মই গছৰুলি ৰুই পৰিৱেশৰ যত্ন লোৱাটো বিচাৰো। মই বিদ্যালয় আৰু মহাবিদ্যালয়ত কাৰ্যসূচী অনুষ্ঠিত কৰিম। সোমবাৰে মোৰ বন্ধ থাকে, সেইদিনাই কৰিব পাৰিম।
সোনকালেই –
তোমালোক প্ৰত্যেকেই গছপুলি ৰুই দিয়া আৰু আমি সেই পুলিক তোমালোকৰ নামেৰে নামাকৰণ কৰিম। নিয়মীয়াকৈ পানী দিবা আৰু যত্ন ল'বা।
বাঃ! মোৰ নামেৰে এজোপা গছ। বৰ ভাল কথা।




*তামিলভাষাত পৰিৱেশ-যোদ্ধা

# মুৰুলী শ্ৰীশংকৰ


ইকবাল, তুমি মন মাৰি আছা কিয়?
মই দুই নম্বৰৰ কাৰণে বিজ্ঞান প্ৰতিযোগিতাৰ বাবে যোগ্যতা অৰ্জন নকৰিলো। পুনৰ চেষ্টা কৰিবলৈ মই আৰু এবছৰ অপেক্ষা কৰিব লাগিব।
ইয়াক বিফলতা ৰূপে গণ্য নকৰিবা, ইকবাল। এবছৰত অধিক প্ৰস্তুতি কৰিব পাৰিবা। মই শ্ৰীশংকৰ নামৰ এজন খেলুৱৈৰ কাহিনী কও শুনা যি অসুস্থতাৰ বাবে সুযোগ হেৰুৱাইছিল আৰু দৃঢ়তাৰ বাবে পিছত সফলো হৈছিল।
কেৰালাৰ পালাক্কাডত এছ মুৰলী আৰু কে এছ বিজিমলৰ ঘৰত 1999 চনৰ 27 মাৰ্চত মুৰলী শ্ৰীশংকৰৰ জন্ম হৈছিল। তেওঁৰ পিতৃ-মাতৃ দুয়ো আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ আছিল।
ইয়াৰ ভৰিকেইটা চোৱা - খেলুৱৈ হ'ব পাৰিব যেন লাগিছে!
তেওঁলোকক উদগণিত শ্ৰীশংকৰৰ মনত এথলেটিকছৰ প্ৰতি গভীৰ আগ্ৰহৰ সৃষ্টি হৈছিল। সৰু কালতেই -
সি দৌৰিছে চোৱা! আমাৰ পুত্ৰৰ যথেষ্ট সম্ভাৱনা আছে।
হয়! আপুনি সোনকালেই প্ৰশিক্ষণ আৰম্ভ কৰা উচিত।
দেউতাকৰ অধীনত লাভ কৰা প্ৰশিক্ষণে শ্ৰীশংকৰৰ দক্ষতা বৃদ্ধি কৰিবলৈ আৰম্ভ কৰিলে।


অতি সোনকালেই, শ্ৰীশংকৰ 10 বছৰৰ অনুৰ্ধ শাখাত ৰাজ্যিক পৰ্যায়ৰ চেম্পিয়ন হয়।
প্ৰথম স্থান, আকৌ এবাৰ, শ্ৰীশংকৰে লাভ কৰিছে!
13 বছৰ বয়সত, শ্ৰীশংকৰে দৌৰৰ পৰা দীঘল জাম্প খেললৈ সলনি কৰে।
তেওঁৰ দেউতাক আছিল এজন প্ৰাক্তন আন্তৰ্জাতিক ট্ৰিপল জাম্পাৰ। তেওঁ এজন কঠোৰ প্ৰশিক্ষক আছিল।
মনত ৰাখিবা, মই কেতিয়াবা কঠোৰ হ'ব পাৰো কিয়নো মই তোমাৰ প্ৰশিক্ষক, কিন্তু তুমি দিনক দিনে উন্নতি কৰাটোৱেই মোৰ একমাত্ৰ লক্ষ্য।
মই জানো, আচা*।
শ্ৰীশংকৰে খেলত উন্নতি কৰাৰ ক্ষেত্ৰত তেওঁৰ দেউতাকৰ অৱদান গুৰুত্বপূৰ্ণ আছিল।
2018 চনৰ মাৰ্চ মাহত, শ্ৰীশংকৰে কমনৱেলথ গেমছত অংশগ্ৰহণ কৰিবলৈ সাজু হৈছিল। কিন্তু, তেওঁ অসুস্থ হৈ পৰিল, আৰু –
তোমাৰ এপেণ্ডিচাইটিছ হৈছে আৰু অস্ত্ৰোপচাৰৰ প্ৰয়োজন হ'ব।
ইছ্! তাৰমানে মই খেলিবলৈ নেপাম।
অস্ত্ৰোপচাৰৰ পিছত, শ্ৰীশংকৰে তৰল আহাৰ গ্ৰহণ কৰিছিল, ফলত ওজন হ্ৰাস পাইছিল আৰু দুৰ্বল হৈ পৰিছিল।
অৱশ্যে, দুমাহ পিছতে তেওঁ 2018 এছিয়ান জুনিয়ৰ এথলেটিকছ চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰে –
আৰু ভাৰতৰ মুৰুলী শ্ৰীশংকৰে 7.47 মিটাৰ জপিয়াই ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে।
2018 চনৰ আগষ্টত তেওঁ জাকাৰ্টাত অনুষ্ঠিত 2018 এছিয়ান গেমছত ষষ্ঠ স্থান লাভ কৰে।
2018 চনৰ ছেপ্টেম্বৰত শ্ৰীশংকৰে ভুৱনেশ্বৰত অনুষ্ঠিত ৰাষ্ট্ৰীয় অপেন এথলেটিকছ চেম্পিয়নশ্বিপত 8.20 মিটাৰ জাম্পেৰে ৰাষ্ট্ৰীয় অভিলেখ ভংগ কৰে।
অভিনন্দন! তুমি 2019 চনৰ বিশ্ব এথলেটিকছ চেম্পিয়নশ্বিপৰ বাবে যোগ্যতা অৰ্জন কৰা প্ৰথম ভাৰতীয় খেলুৱৈ হ'লা।
শ্ৰীশংকৰ চেম্পিয়নশ্বিপৰ ফাইনেলত উপনীত হ'ব নোৱাৰিলে, কিন্তু বিচলিত নহ'ল।

*মালায়ালমত দেউতাক




*এক বাৰ্ষিক প্ৰতিযোগিতা য'ত পোন্ধৰটা শীৰ্ষৰ প্ৰিমিয়াৰ আমন্ত্ৰণমূলক ট্ৰেক আৰু ফিল্ড এথলেটিকছ খেল থাকে

# পুণ্যম পুংকাভানম




*ভাৰতীয় আৰক্ষী সেৱা




*শবৰীমালা মন্দিৰ পাম্পা নদীৰ পাৰত অৱস্থিত

**শবৰীমালাৰ ভগৱান আয়াপ্পাৰ ঐশ্বৰিক বনাঞ্চল

^দক্ষিণ ভাৰতৰ প্ৰায় 1,252 টা মন্দিৰ পৰিচালনা কৰা এটা স্বতন্ত্ৰ সংস্থা




*ভক্তসকলকো দেৱতাৰ নামেৰে সম্বোধন কৰা হয়।

# ৰাম কুমাৰ যোশী




*হিমাচল প্ৰদেশত


1984 চনত ৰামৰ মনত পোষ্টকাৰ্ডত ক্ষুদ্ৰ-লিখনি সৃষ্টিৰ প্ৰতি আগ্ৰহ জন্মে।
মই পোষ্টকাৰ্ডত এই গোটেই পৃষ্ঠাটো ক্ষুদ্ৰভাৱে লিখিব পাৰো নেকি চাও!
ৰামে কম ঠাইত অধিক শব্দ লিখাৰ প্ৰত্যাহ্বান গ্ৰহণ কৰি আনন্দ পাইছিল।
সময়ৰ লগে লগে, তেওঁ এখন পোষ্টকাৰ্ডত অধিক শব্দ লিখিবলৈ সক্ষম কৰিছিল, আৰু এদিন -
মই এই পোষ্টকাৰ্ডত 3,00,000 টা শব্দ লিখিবলৈ সক্ষম হৈছো!
ই তেওঁক এজন ক্ষুদ্ৰ লেখক হিচাপে স্বীকৃতি প্ৰদান কৰিছিল।
তেওঁৰ কলাৰ প্ৰশংসনীয় বৈশিষ্ট্যটো হ'ল - মেগনিফাইং লেন্স বা আন কোনো ডিভাইচৰ সহায় নোলোৱাকৈ তেওঁ তেনে কৰিবলৈ সক্ষম হৈছিল...
মহাশয়, আপুনি মেগনিফাইং ডিভাইচ অবিহনে কেনেকৈ লিখে?
মনোযোগ আৰু শৃংখলাবদ্ধ অনুশীলনৰ দ্বাৰা সকলো সম্ভৱ।
... কেৱল এটা কলম বা পেঞ্চিল ব্যৱহাৰ কৰি।
এদিন তেওঁ ডাক টিকটত নেতাজী সুভাষ চন্দ্ৰ বসু আৰু লালবাহাদুৰ শাস্ত্ৰীৰ ক্ষুদ্ৰ স্কেচ সৃষ্টি কৰিছিল।
আটাইটকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল - তেওঁ কেৱল 'ৰাম' শব্দটো ব্যৱহাৰ কৰি এই স্কেচ সৃষ্টি কৰিছিল।
তেওঁ ডাকটিকটত নেতাসকলৰ সংক্ষিপ্ত জীৱন ইতিহাসক স্থান দিবলৈ সক্ষম হৈছে।


তেতিয়াৰ পৰা, ৰামে বহুতো চেলিব্ৰিটি আৰু
দেৱ-দেৱতাৰ ক্ষুদ্ৰ স্কেটচ তৈয়াৰ কৰিছে।
তেওঁৰ স্কেটচবোৰ কেইমিলিমিটাৰ বহলৰ
পৰা প্ৰায় তিনি ফুট পৰ্যন্ত দীঘল।
ৰামে তেওঁৰ অনন্য কৰ্মৰাজিৰ বাবে বহুতো বঁটা লাভ কৰিছে, আৰু মন কি বাতটো প্ৰশংসা লাভ কৰিছে।
ডিজিটেল পৃথিৱীত, ৰামৰ
বুদ্ধিদীপ্ত, প্ৰযুক্তি-ৰহিত শৈল্পিক
সামৰ্থ্য অনুপ্ৰেৰণাৰ উৎস।

# চাইখম সুৰচন্দ্ৰ সিং




*মণিপুৰৰ আদি বাসিন্দা



তাৰপিছত–
বহুদিনৰ আগতে, ৰজাৰ কোনো গুৰুত্বপূৰ্ণ বাৰ্তা ঘোষণা কৰিবলৈ এই ঢোলটো ব্যৱহাৰ কৰা হৈছিল।
এতিয়া এইটো আনন্দমূলক গীত আৰু নৃত্যৰ বাবেহে। ঠিক কৈছোনে, আপা*?
তুমি এই বিষয়ে ইমান কথা ক'ত গম পালা?
আপা আৰু মোৰ ককাইদেৱে বহুদিন ধৰি এই ঢোল নিৰ্মাণ কৰি আহিছে। ময়ো এদিন বনাম।
দিন যোৱাৰ লগে লগে সুৰচন্দ্ৰই মেইটেই পুং বনোৱাৰ কলা আয়ত্ত কৰিলে। 2005 চনত –
আমি দিনে–ৰাতিয়ে কাম কৰো, কিন্তু শিল্পীৰ সংখ্যা হ্ৰাস পাইছে। আমাৰ ভৱিষ্যত অনিশ্চিত।
হয়তো আমি আনক কলা শিকোৱাৰ বাবে কৰ্মশালাৰ আয়োজন কৰিব পাৰো। কেৱল ঢোল বনোৱাৰ বিষয়ে নহয়, পৰম্পৰা সংৰক্ষণ কৰাৰ বিষয়ে।
সুৰচন্দ্ৰই তেওঁৰ শিল্পকলাৰ প্ৰচাৰৰ বাবে ৰাজ্যৰ ৰাজধানী ইম্ফললৈ গ'ল।
এই ঢোলবোৰ আমাৰ নৃত্যৰ আত্মা! আমি ইয়াক কেতিয়াও পাহৰিব নোৱাৰো। পৰম্পৰাগত ঢোল নিৰ্মাণ কৰা দেখিছেনে?
তেওঁ আনক শিকোৱাৰ সময়ত নিজেও ঢোল নিৰ্মাণ কৰা অব্যাহত ৰাখিছিল।
2019 চনত, চাইখোম সুৰচন্দ্ৰ সিঙক উস্তাদ বিছমিল্লা খান যুৱ পুৰস্কাৰৰ বাবে নিৰ্বাচিত কৰা হৈছিল।
আমি মেইটেই পুঙৰ সাংস্কৃতিক তাৎপৰ্যক স্বীকৃতি দিও। আপোনাৰ অৱদান অমূল্য।
এই বঁটা কেৱল মোৰ বাবে নহয়, এয়া সকলো পৰম্পৰাগত ঢোল নিৰ্মাতাৰ বাবে! একেলগে, আমি আমাৰ ঐতিহ্যক জীয়াই ৰাখিম।


*ককা

# সন্তোষ সিং নেগী




*উত্তৰ প্ৰদেশৰ এখন চহৰ




*হিন্দীত ভাই

^চৰকাৰৰ দ্বাৰা নাগৰিকৰ অংশগ্ৰহণৰ মঞ্চ

# য়ুথ ফৰ পৰিৱৰ্তন




*চহৰখনৰ অপৰিষ্কাৰ অংশবোৰ চিনাক্ত কৰা, সেইবোৰ পৰিষ্কাৰ কৰা আৰু তাৰপিছত সেইবোৰৰ সৌন্দৰ্যবৰ্ধন কৰা




*দক্ষিণ আৰু পশ্চিম বেংগালুৰুৰ এটা এলেকা

^হিন্দীত পৰিৱৰ্তন


ৰাইএফপিয়ে আগন্তুক অভিযানৰ বিষয়ে প্ৰচাৰ কৰিবলৈ ফেচবুক আৰু হোৱাটছএপৰ দৰে ছ'চিয়েল মিডিয়া প্লেটফৰ্মসমূহ ব্যৱহাৰ কৰে।
হেই, চোৱা, পৰৱৰ্তী অভিযানটো আমাৰ এলেকাত 25 তাৰিখে আছে। আমি সকলোৱে যোগ দিও আহা!
নিশ্চয়!
কোভিড মহামাৰীৰ সময়ত ৰাইএফপিয়ে সকলো প্ৰয়োজনীয় সাৱধানতা অৱলম্বন কৰি অভিযান অব্যাহত ৰাখিছিল...
... আৰু অৰ্থনৈতিকভাৱে দুৰ্বল নাগৰিকক মাস্ক, চাবোন, চেনিটাইজাৰ আৰু থাৰ্মেল গান থাৰ্মোমিটাৰ যোগান ধৰাৰ বাবে এটা টাস্কফৰ্চ গঠন কৰিছিল।
2014 চনৰ পৰা ৰাইএফপিয়ে 400 ৰো অধিক সৌন্দৰ্যবৰ্ধন অভিযান সম্পন্ন কৰিছে, আৰু ৰক্তদান অভিযান আৰু যান-বাহন সজাগতা অভিযানৰ দৰে অন্য পদক্ষেপো হাতত লৈছে।
স্বেচ্ছাসেৱকসকলেই মোৰ অনুপ্ৰেৰণাৰ মূল উৎস - তেওঁলোকে দেওবাৰৰ বেছিভাগ সময় পৰিৱেশৰ উন্নতিৰ হকে কাম কৰি কটায়।
ৰাইএফপিয়ে দুখীয়া লোকসকলক স্বাস্থ্যসেৱা আৰু শিক্ষা সেৱাও প্ৰদান কৰে।
অমিতৰ লক্ষ্য হৈছে অধিক লোকক দায়িত্বশীল নাগৰিক হ'বলৈ অনুপ্ৰাণিত কৰা, আৰু অন্য বেচৰকাৰী সংগঠনবোৰক একে ধৰণৰ অভিযানৰ বাবে অনুপ্ৰাণিত কৰা।
প্ৰকৃত পৰিৱৰ্তন তেতিয়াহে হ'ব যেতিয়া মানুহে ৰাজহুৱা স্থানবোৰক নিজৰ সম্পত্তি বুলি ভাবিবলৈ আৰম্ভ কৰিব - আপুনি পৰিৱৰ্তনৰ বাহক হ'বলৈ ইচ্ছুক নেকি?


STOP COMPLANING
START ACTING

# মন কি বাত

## খণ্ড - 12

বৰ্তমান অসীমিত পৰিমাণৰ সম্পদ উপলব্ধ হৈ পৰাৰ বাবে বেছিভাগ প্ৰশ্নৰ উত্তৰ সহজেই লাভ কৰিব পাৰি। অৱশ্যে, বেছিভাগ লোকেই নিজৰ সমস্যা সমাধান কৰিবলৈ এই তথ্য ব্যৱহাৰ নকৰে।

মন কি বাতৰ দ্বাদশ খণ্ডত এনে লোকসকলৰ কাহিনী বৰ্ণনা কৰা হৈছে যিসকল নিজৰ জ্ঞান আৰু প্ৰচেষ্টাৰ দ্বাৰা ফল লাভ কৰিবলৈ সংকল্পবদ্ধ আছিল।

নিজে বিকলাংগ হৈ পৰাৰ পিছত বিকলাংগ শিশুসকলৰ বাবে এক বিদ্যালয় আৰম্ভ কৰা জাভেদ আহমেদ টাক, পানীৰ সমস্যা সমাধান আৰু বানপানী প্ৰতিৰোধৰ বাবে বৰষুণৰ পানী সংগ্ৰহ কৰা এজন শিক্ষক সন্তোষ সিং নেগীৰ পৰা আৰম্ভ কৰি নিজৰ সময় আৰু ধন খৰচ কৰি হেজাৰ হেজাৰ গছপুলি ৰোপণ কৰাৰ দ্বাৰা পৰিৱেশ সংৰক্ষণ কৰিব খোজা এজন বাছ কণ্ডাক্টৰ এম যোগনাথনলৈকে, এই লোকসকলে তেওঁলোকৰ অভিজ্ঞতা আৰু জ্ঞানক আমাৰ পৃথিৱীখনক অধিক সুন্দৰ ঠাই ৰূপে গঢ়ি তুলিবলৈ ব্যৱহাৰ কৰিছে।



₹99

www.amarchitrakatha.com

ISBN 978-93-6127-916-4

9 789361 279164